তুমি যি যি বিচাৰিছা সেই সকলো তুমি পাবা, লগতে ইয়াৰ অনুৰূপ অতিৰিক্ত প্ৰদান কৰা হ'ব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকৰ মাজৰ আটাইতকৈ নিম্ন পৰ্যায়ৰ জান্নাতীৰ মৰ্যাদা
এনেকুৱা হ'ব যে, আল্লাহে তাক ক'বঃ তোমাৰ কি কি বিচাৰিবলগীয়া আছে বিচৰা, তেতিয়া তেওঁ বিভিন্ন ধৰণৰ আশা-আকাংক্ষা ব্যক্ত কৰিব। তেতিয়া আল্লাহে তাক ক'বঃ তোমাৰ সকলো
বিচৰা হ'লনে? তেতিয়া তেওঁ ক'বঃ হয়। তেতিয়া আল্লাহে তাক ক'বঃ তুমি যি যি বিচাৰিছা সেই সকলো তুমি পাবা, লগতে ইয়াৰ অনুৰূপ অতিৰিক্ত প্ৰদান কৰা হ'ব।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, জান্নাতত যিজন ব্যক্তি সৰ্ব নিম্ন পৰ্যায়ত থাকিব তাৰ মৰ্যাদা ইমান হ'ব যে, তাক কোৱা হ'ব, তোমাৰ যি যি ইচ্ছা আছে বিচৰা। তেতিয়া তেওঁ যি যি লাগে সেই সকলো আশা ব্যক্ত কৰিব, এইটো বিচাৰিব সেইটো বিচাৰিব। অৱশেষত তাৰ সকলো আশা আকাংক্ষা ব্যক্ত কৰা শেষ হ'ব। তেতিয়া আল্লাহে ক'বঃ তোমাৰ সকলো বিচৰা হ'লনে? তেতিয়া তেওঁ ক'বঃ হয়, মোৰ যি যি লগা আছিল, মই সকলো বিচাৰিছোঁ। তেতিয়া আল্লাহে ক'বঃ তুমি যি যি বিচাৰিছা সেই সকলো তোমাক দিয়া হ'ব, লগতে এই পৰিমাণ অতিৰিক্ত প্ৰদান কৰা হ'ব।

http://www.sunnah.global/hadeeth/as/show/8342